**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৱীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৱীগত হোৱা গেছ নিৰ্গমন থলীত যোৱা নিশা উপস্থিত হৈ আশ্ৰয় শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। তেওঁ ভটীয়াপাৰ বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেলৰ ৱীগটো পৰিচালনা কৰা ব্যক্তিগত খণ্ডৰ এছ কে পেট্ৰ' নামৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে তদন্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰা হ'ব। তৈল প্ৰতিষ্ঠানটোৰ অধ্যক্ষৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি উল্লেখ কৰে। এই ঘটনাৰ বাবে অঞ্চলটোৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সহায়ৰ হাত আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক কৰি থকা হৈছে। তদুপৰি ঘটনাস্থলীৰ নিকটৱৰ্তী নাগৰিকসকলক বিশুদ্ধ খোৱাপানী আৰু আহাৰ যোগান ধৰি থকা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অঞ্চলটোত স্বাস্থ্য শিবিৰো মুকলি কৰিছে। জিলা অগ্নি নিৰ্বাপক বাহিনী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অগ্নি নিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত গেছ নিৰ্গমন ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে।

০০০০০০

অসম আৰু নাগালেণ্ডৰ সীমা সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা অব্যাহত আছে আৰু মহাকাশ প্ৰযুক্তি তথা উপগ্ৰহৰ প্ৰতিবিম্বৰ সহায়ত এই সমস্যাৰ শান্তিপূৰ্ণ সমাধান উলিওৱা হ'ব। কেন্দ্ৰীয় বিজ্ঞান প্ৰযুক্তি আৰু ভূবিজ্ঞান দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কালি নাগালেণ্ডত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শীঘ্ৰে এই সমস্যাৰ সমাধান হোৱাৰ পথ প্ৰশস্ত হ'ব। দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যখনত **এখন জিলা এবিধ সামগ্ৰী** কাৰ্যসূচীৰ অধীনত ৫ বছৰীয়া এখন ভৱিষ্য নথি মুকলি কৰে। ওখা জিলাত কল খেতিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি শীৰ্ষক এই ভৱিষ্য নথি মুকলি কৰি মন্ত্ৰীগৰাকীয়ে নাগালেণ্ডৰ লগতে সমগ্ৰ উত্তৰ-পূবৰ ৰূপান্তৰকামী যাত্ৰাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত দশকটোত উত্তৰ-পূবত ঔদ্যোগিক কামকাজ বৃদ্ধি পোৱাৰ লগতে চাকৰিৰ সুযোগো বৃদ্ধি

হৈছে। তেওঁ ৰাজ্যখনত মাদকদ্ৰব্য প্ৰচলন ৰোধ কৰাৰ বাবে মিজোৰামৰ আৰ্হিত তৃণমূল স্তৰৰ পৰা মাদকদ্ৰব্য বিৰোধী অভিযান চলাবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত বাঢ়ি অহা হাতী-মানুহৰ সংঘাটৰ কথা উল্লেখ কৰি এই সমস্যাৰ দীৰ্ঘ ম্যাদী সমাধান উলিওৱাৰ বাবে এখন কেন্দ্ৰীয় বৈঠক অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ড০ সিঙে জল সংৰক্ষণ আৰু সম্পদ ব্যৱস্থাপনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০

ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি ৰাজ্যৰ ১০ খন জিলাত অহা অক্টোবৰত আৰম্ভ হ'বলগীয়া ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত যোৰহাট জিলাৰ হিতাধিকাৰী সকলৰ বাবে সজাগতা সভাত ভাগ ল'ব। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই সভা অনুষ্ঠিত হ'ব। এই আঁচনিৰ অধীনত গ্ৰাহকসকলক এক কিলোগ্ৰামকৈ মচুৰ দাইল, চেনি আৰু নিমখ সুলভ মূল্যত প্ৰদান কৰা হ'ব। এই সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাখনৰ সুলভ মূল্যৰ দোকানী, গাঁও পঞ্চায়ত, সমবায় সমিতিসমূহৰ প্ৰতিনিধিসকলক এই আঁচনিৰ সকলো দিশ সামৰি অৱগত কৰোৱা হ'ব। ৰাজ্যৰ ১০ খন জিলাত এই আঁচনি আৰম্ভ হোৱাৰ এমাহৰ পাছতেই অৰ্থাৎ নৱেম্বৰত এই আঁচনি কাৰ্যকৰী হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযান-তৈল খেজুৰৰ অধীনত কালি ধেমাজি চিচিবৰগাঁৱৰ চেচু দীঘলী অঞ্চলত তৈল খেজুৰ ৰোপণ কাৰ্যসূচীত অসম চৰকাৰৰ কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰ'জৰীয়াই অংশগ্ৰহণ কৰে। ধেমাজি জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত আয়ুক্ত সচিব ৰ'জৰীয়াই অসমত তৈল খেজুৰৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি কয়, যে এই কৃষিয়ে কৃষকক উপকৃত কৰিব পাৰিব। তৈল খেজুৰৰ মূল্য আন্তঃৰাষ্ট্ৰীয় বজাৰত ক্ৰমাত বৃদ্ধি হোৱালৈ চাই এই খেতিৰ জৰিয়তে অসমৰ কৃষকে যথেষ্ট উপাৰ্জন কৰাৰ থল আছে বুলি তেওঁ প্ৰকাশ কৰে। অসমত বৰ্তমানলৈ ৬০০ হেক্টৰ মাটিত তৈল খেজুৰৰ খেতি আছে। চলিত বৰ্ষত ২০ হাজাৰ হেক্টৰ ভূমিত এই খেতি কৰাৰ পৰিকল্পনা আছে আয়ুক্ত সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

অহা ২১ জুনত পালন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে আজি পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ে পাঁচদিনীয়া যোগ শিবিৰৰ শুভাৰম্ভ কৰে। আজিৰ পৰা ২১ জুনলৈ প্ৰতিদিনে পুৱা চাৰে পাঁচ বজাৰ পৰা চাৰে ছয় বজালৈ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ এই শিবিৰত অধ্যাপক, ছাত্ৰ-ছাত্ৰী, প্ৰশাসনিক কৰ্মচাৰীৰ বাবে মুকলি ৰখা হৈছে। আজি পুৱা শিবিৰটোৰ উদ্বোধনী অনুষ্ঠানত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভাৰতীয় জ্ঞান কেন্দ্ৰৰ মুৰব্বী ড০ ৰুনিমা শৰ্মাই বন্তি প্ৰজ্বলন কৰে। তেওঁ কয়, যে যোগ কেৱল শাৰীৰিক অনুশাসন নহয়, ই হৈছে ভাৰসাম্য, সমন্বয় আৰু শান্তিৰ দিশত এক আধ্যাত্মিক যাত্ৰা। সহযোগী অধ্যাপক ড০ পৰাগ বৰ্মনে আজিৰ দ্ৰুত পৰিৱৰ্তনশীল জীৱনত যোগৰ প্ৰসংগিকতা আছে বুলি মন্তব্য কৰে। মুঠ ২৪ গৰাকী শিক্ষক-শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা আজিৰ প্ৰথম যোগ শিবিৰটো যোগ প্ৰশিক্ষক প্ৰণৱ শৰ্মাই পৰিচালনা কৰে। অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বিশেষ অধিৱেশনৰ জৰিয়তে শিবিৰৰ সামৰণি পৰিব।

০০০০০০

সমাপ্ত